# 18th Meeting of the Working Mechanism for Consultation & Coordination on India-China Border Affairs

August 20, 2020

---

# ভাৰত চীন সীমান্ত বিষয়সমূহৰ ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ 18 তম বৈঠক

আগষ্ট 20, 2020

1. আজি ভাৰত-চীন সীমান্ত বিষয়সমূহৰ (ডব্লিউ এম চি চি) ওপৰত পৰামৰ্শ আৰু সমন্বয়ৰ কাৰণে কাৰ্যকৰী পদ্ধতিৰ 18 তম বৈঠক অনুষ্ঠিত হয়। বৈদেশিক মন্ত্ৰণালয়ৰ যুটীয়া সচিবে (পূব এচিয়া) ভাৰতীয় প্ৰতিনিধিবৰ্গৰ নেতৃত্ব কৰিছিল, আনহাতে চীনৰ হৈ প্ৰতিনিধিসকলক নেতৃত্ব দিছিল চীনৰ বৈদেশিক মন্ত্ৰণালয়ৰ সীমা আৰু মহাসাগৰীয় বিভাগৰ মহানিৰ্দেশকে।

2. দুয়ো পক্ষই ভাৰত-চীন সীমান্তৱৰ্তী অঞ্চলত বিদ্যমান পৰিস্থিতিৰ ওপৰত এটি স্পষ্ট আৰু গভীৰ মতামত বিনিময় কৰিছিল। দুয়োখন দেশৰ বৈদেশিক মন্ত্ৰী আৰু বিশেষ প্ৰতিনিধিৰ মাজত হোৱা চুক্তিসমূহৰ অনুসৰি পশ্চিম ক্ষেত্ৰত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা(এল এ চি)ৰ পৰা সৈনিকসকলক শীঘ্ৰে আৰু সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰাক লৈ সন্মত হয়। এই সন্দৰ্ভত তেওঁলোকে অসমাপ্ত বিষয়সমূহক দ্ৰুতভাৱে আৰু বিদ্যমান চুক্তি আৰু প্ৰট'ক'ল অনুসৰি সমাধান কৰাৰ ক্ষেত্ৰত সহমত হয়। দ্বিপাক্ষিক সম্পৰ্কৰ সামগ্ৰিক উন্নয়ন কাৰণে সীমান্তৱৰ্তী এলেকাত স্থায়ী শান্তি আৰু সমৃদ্ধি বজাই ৰখাটো অত্যন্ত জৰুৰী এই কথাটোত সহমত পোষণ কৰে।

3. দুয়ো পক্ষই শেষলৈ সম্পূৰ্ণ প্ৰত্যাহাৰ সুনিশ্চিত কৰাৰ কাৰণে কূটনৈতিক আৰু সামৰিক উভয় স্তৰত চলি থকা যোগাযোগ বজাই ৰখাৰ ক্ষেত্ৰত সন্মতি ব্যক্ত কৰে। এই সন্দৰ্ভত, তেওঁলোকে ডব্লিউ এম চি চি ৰ এটি বৈঠকৰ জৰিয়তে বিদ্যমান ব্যৱস্থাসমূহক বাহাল ৰখাৰ ক্ষেত্ৰত সহমত হয়।

**নতুন দিল্লী**
**আগষ্ট 20, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.